**28T ACOU**

# 2018

# ACCOUNTANCY

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

| | | |
|---|---|---|
| *Q. No. 1 carries 1 mark each* | | |
| | *1 (a)* | 1×4 = 4 |
| | *1 (b)* | 1×2 = 2 |
| | *1 (c)* | 1×2 = 2 |
| *Q. Nos. 2–6 carry 2 marks each* | | 2×5 = 10 |
| *Q. Nos. 7–11 carry 3 marks each* | | 3×5 = 15 |
| *Q. Nos. 12–18 carry 5 marks each* | | 5×7 = 35 |
| *Q. Nos. 19–22 carry 8 marks each* | | 8×4 = 32 |
| | | Total = 100 |

*Contd.*

1. (a) Fill in the blanks with appropriate word/words : 1×4=4

উপযুক্ত শব্দৰে খালী ঠাই পূৰণ কৰা ঃ

(i) The interest due to the retiring partner is transferred to his ________ account in case it is not paid immediately.

অৱসৰ লোৱা এজন অংশীদাৰে পাৱলগীয়া টকা যদি তাৎক্ষণিক ভাবে প্ৰদান কৰা নহয়, তেন্তে উক্ত টকাখিনি তেওঁৰ ________ হিচাপলৈ স্থানান্তৰ কৰা হয়।

(ii) A partner acts as ________ of the firm.

এজন অংশীদাৰে প্ৰতিষ্ঠানটোৰ এজন ________ হিচাপে কাম কৰে।

(iii) In case of fixed capital, a partner's capital account always shows a ________ balance.

স্থায়ী মূলধনৰ ক্ষেত্ৰত, এজন অংশীদাৰৰ মূলধন হিচাপ সদায় ________ উদ্বৃত্ত দেখুৱায়।

(iv) Unrecorded assets when realised are credited to ________ Account.

অলিখিত সম্পত্তি যেতিয়া আদায় হয়, তেতিয়া ________ হিচাপত ক্ৰেডিট কৰা হয়।

(b) Choose the correct alternative : 1×2=2

শুদ্ধ উত্তৰ বাছনি কৰা ঃ

(i) Balance Sheet shows :

উদ্বৃত্তপত্ৰয় দেখুৱায় ঃ

(1) Financial position of a company

এটা কোম্পানীৰ আৰ্থিক অৱস্থা

(2) Profit and Loss of a company

এটা কোম্পানীৰ লাভ-লোকচান্

(3) Cash flow of a company

এটা কোম্পানীৰ নগদ ধনৰ প্ৰবাহ

(4) All of the above.

ওপৰৰ গোটেই কেইটা।

(ii) Financial statements are :

বিত্তীয় বিবৃতিবোৰ হ'ল ঃ

(1) Detailed reports of the recorded facts.

নথিভুক্ত তথ্যবোৰৰ বিস্তৃত প্ৰতিবেদন।

(2) Detailed reports of the cash transactions only.

কেৱলমাত্ৰ নগদ লেনদেন সমূহৰ বিস্তৃত প্ৰতিবেদন।

(3) Summarised reports of recorded facts.

নথিভুক্ত তথ্যবোৰৰ সংক্ষিপ্ত প্ৰতিবেদন।

(4) Summarised reports of the financial institutions only.

কেৱলমাত্ৰ বিত্তীয় প্ৰতিষ্ঠানসমূহৰ সংক্ষিপ্ত প্ৰতিবেদন।

(c) State whether the following statements are true *or* false : 1×2=2

তলৰ বাক্যকেই ফাঁকি *শুদ্ধ নে অশুদ্ধ* লিখা ঃ

(i) Interest on Partner's Capital is credited to Partners' Drawings Account.

অংশীদাৰৰ মূলধনৰ ওপৰত দিয়া সুত অংশীদাৰৰ আহৰণ হিচাপত ক্ৰেডিট কৰা হয়।

(ii) Life membership fee is a Revenue receipt.

আজীৱন সদস্য মাচুল এটা ৰাজহ জাতীয় প্ৰাপ্তি।

2. State *any two* features of a not-for-profit organisation. 2

লাভ-নোলোৱা প্ৰতিষ্ঠানৰ *যিকোনো দুটা* বৈশিষ্ট্য লিখা।

3. What is a Common Size Statement ? 2

সমাকাৰ প্ৰতিবেদন বুলিলে কি বুজা?

4. Mention *any two* distinctions between shares and debentures. 2

অংশপত্ৰ আৰু ঋণপত্ৰৰ মাজত থকা *যিকোনো দুটা* পাৰ্থক্য উল্লেখ কৰা।

5. What do you mean by Forfeiture of shares ? 2

অংশপত্ৰ বাজেয়াপ্তকৰণ বুলিলে কি বুজা?

6. What do you mean by Comparative statement ? 2

তুলনামূলক প্ৰতিবেদন বুলিলে কি বুজা?

7. Explain the meaning of Cash Flow from Financing Activities. 3

'বিত্তীয় কাৰ্যকলাপৰ পৰা নগদ প্ৰবাহ'-ৰ অৰ্থ ব্যাখ্যা কৰা।

*OR / নাইবা*

From the following information, calculate Stock Turnover Ratio : 3

নিম্নলিখিত তথ্যৰ পৰা মজুতপণ্যৰ আবৰ্তন অনুপাত নিৰ্ণয় কৰা ঃ

Sales (বিক্ৰী) = ₹ 4,00,000/-

Average Stock (গড় মজুতপণ্য) = ₹ 55,000

Gross Loss Ratio (মুঠ লোকচানৰ অনুপাত) = 10%

8. Mention *any three* objectives of financial statement analysis. 3

বিত্তীয় প্ৰতিবেদন বিশ্লেষণৰ *যিকোনো তিনিটা* উদ্দেশ্য উল্লেখ কৰা।

*OR / নাইবা*

Briefly explain the nature of financial statements. 3

বিত্তীয় প্ৰতিবেদনসমূহৰ প্ৰকৃতি সংক্ষেপে ব্যাখ্যা কৰা।

9. Mention *any three* limitations of financial statements. 3

বিত্তীয় প্ৰতিবেদনৰ *যিকোনো তিনিটা* সীমাবদ্ধতা উল্লেখ কৰা।

*OR / নাইবা*

Explain the meaning of Ratio Analysis. 3

অনুপাত বিশ্লেষণৰ অৰ্থ ব্যাখ্যা কৰা।

10. Mention *any three* distinctions between Fund-based Accounting and Non-fund-based Accounting. 3

পুঁজি-ভিত্তিক হিচাপকৰণ আৰু অ-পুঁজি-ভিত্তিক হিচাপকৰণৰ মাজত থকা *যিকোনো তিনিটা* পাৰ্থক্য উল্লেখ কৰা।

*OR / নাইবা*

What do you mean by Income and Expenditure Account ? 3

আয় আৰু ব্যয় হিচাপ বুলিলে কি বুজা?

11. Amar and Bahadur are partners of a firm sharing profits in the ratio of 3:2. They admit Mery as a new partner for ¼ th share in the future profits. The new profit sharing ratio between Amar and Bahadur is agreed to be 2:1. Calculate their sacrificing ratio. 3

অমৰ আৰু বাহাদুৰ 3:2 অনুপাতত লাভ বন্টনকৰী এখন প্ৰতিষ্ঠানৰ অংশীদাৰ। তেওঁলোকে লাভৰ ¼ অংশৰ বাবে মেৰিক নতুন অংশীদাৰ হিচাপে ভৰ্তি কৰে। অমৰ আৰু বাহাদুৰৰ মাজত নতুন লাভৰ অংশ হ'ব 2:1। তেওঁলোকৰ ত্যাগৰ অনুপাত নিৰ্ণয় কৰা।

*OR / নাইবা*

Ranjana, Sadhana and Kamona are partners sharing profits in the ratio of 4:3:2. Ranjana retires and Sadhana and Kamona agree to share future profits in the ratio of 5:3. Calculate the gaining ratio. 3

ৰঞ্জনা, সাধনা আৰু কামনা 4:3:2 অনুপাতত লাভ বন্টন কৰা অংশীদাৰ। ৰঞ্জনাই অৱসৰ লয়; সাধনা আৰু কামনাই ভৱিষ্যতে 5:3 অনুপাতত লাভ বন্টন কৰিবলৈ সিদ্ধান্ত লয়। উপকৃত লাভৰ অনুপাত নিৰ্ণয় কৰা।

12. From the following Receipts and Payments Account for the year ended 31st March, 2017 and other details of KAZIRANGA SPORTS CLUB, prepare an Income and Expenditure Account for the year ended 31st March, 2017 : 5

31 মাৰ্চ, 2017 তাৰিখে অন্তপৰা বছৰটোৰ বাবে তলত দিয়া KAZIRANGA SPORTS CLUB-ৰ জমা আৰু খৰচ হিচাপ আৰু অন্যান্য তথ্যৰ পৰা 31 মাৰ্চ, 2017 তাৰিখত অন্তপৰা বছৰটোৰ বাবে আয়-ব্যয় হিচাপ প্ৰস্তুত কৰা ঃ

**Receipts and Payments Account**

**জমা আৰু খৰচ হিচাপ**

| Receipts (জমা) | (₹) | Payments (খৰচ) | (₹) |
|---|---|---|---|
| Cash in hand on 01.04.16 (01.04.16 তাৰিখত হাতত থকা নগদ ধন) | 10,000 | Salaries (দৰমহা) | 8,000 |
| Subscriptions : (বৰঙনি) ঃ | | Honorarium (মাননী) | 5,000 |
| 2015-16 : 1,000/- | | Sports Expenses (খেলাৰ খৰচ) | 2,000 |
| 2016-17 : 30,000/- | | Rent (ভাৰা) | 3,000 |
| 2017-18 : 2,000/- | 33,000 | Travelling Expenses (ভ্ৰমণৰ খৰচ) | 2,000 |
| Donation (দান) | 7,000 | Purchase of Furniture (আচ্‌বাব্ ক্ৰয়) | 35,000 |
| Interest (সুত) | 3,000 | | |
| Donation for Buildings (ভৱনৰ বাবে দান) | 10,000 | Cash in hand on 31.03.17 (31.03.17 তাৰিখে হাতত থকা নগদ ধন) | 15,000 |
| Life Membership Fees (আজীৱন সদস্য মাচুল) | 7,000 | | |
| | 70,000 | | 70,000 |

Additional Information :

অতিৰিক্ত তথ্য ঃ

*(i)* Outstanding Salaries = 2,000/-

দিবলগীয়া দৰমহা

*(ii)* Prepaid Rent = 1,000/-

অগ্ৰীম প্ৰদত্ত ভাৰা

*OR / নাইবা*

Explain the steps in preparation of Income and Expenditure Account. 5

আয়-ব্যয় হিচাপ প্ৰস্তুত কৰোতে লবলগা পদক্ষেপবোৰ ব্যাখ্যা কৰা।

13. Charles Ltd. made a profit of ₹ 1,00,000/- after charging depreciation of ₹ 20,000/--on assets and a transfer to general reserve of ₹ 30,000/-. The goodwill written off was ₹ 7,000/- and gain on sale of machinery was ₹ 3,000/-. Other information available to you (changes in the value of current assets and current liabilities) are : debtors showed an increase of ₹ 6,000/-; creditors an increase of ₹ 10,000/-; prepaid expenses an increase of ₹ 200/-; bills receivable a decrease of ₹ 3,000/-; bills payable a decrease of ₹ 4,000/- and outstanding expenses a decrease of ₹ 2,000/-.

Ascertain cash flow from operating activities. 5

চাৰ্লছ লিমিটেডে 20,000/- টকা সম্পত্তিৰ ওপৰত অৱক্ষয় বাদ আৰু 30,000/- টকা সাধাৰণ পুঁজিলৈ স্থানান্তৰ কৰাৰ পিচত 1,00,000/- টকা লাভ কৰে। 7,000/- টকা সুনাম বাদ দিয়ে আৰু যন্ত্ৰপাতি বিক্ৰী কৰি 3,000/- টকা লাভ কৰে। আনবোৰ তথ্য তোমাক দিয়া হ'ল (চলতি সম্পত্তি আৰু চলতি দেনাৰ মূল্যৰ পৰিবৰ্ত্তন) ঃ দেনাদাৰ 6,000/- টকাৰ বৃদ্ধি; পাওনাদাৰ 10,000/- টকাৰ বৃদ্ধি; 200/- টকা অগ্ৰীম প্ৰদত্ত ব্যয় বৃদ্ধি; 3,000/- টকাৰ প্ৰাপ্য বিল হ্ৰাস; প্ৰদেয় বিল 4,000/- টকা হ্ৰাস আৰু অপ্ৰদত্ত ব্যয় 2,000/- টকাৰ হ্ৰাস হৈছে।

ব্যৱসায়িক কাৰ্যকলাপৰ পৰা নগদ প্ৰবাহ নিৰ্ণয় কৰা।

*OR / নাইবা*

Explain the terms : $2\frac{1}{2}+2\frac{1}{2}=5$

পদবোৰ ব্যাখ্যা কৰা ঃ

*(i)* Cash equivalents

(নগদ সমতুল্য)

*(ii)* Cash flows

(নগদ প্ৰবাহ)

14. Mention *any five* objectives of Ratio Analysis. 5

অনুপাত বিশ্লেষণৰ *যিকোনো পাঁচটা* উদ্দেশ্য উল্লেখ কৰা।

*OR / নাইবা*

Calculate current assets of a company from the following information : 5

নিম্নলিখিত তথ্যৰ পৰা এটা কোম্পানীৰ চলিত সম্পত্তিসমূহ গণনা কৰা ঃ

Stock turnover ratio = 4 times

(মজুতপণ্যৰ আবৰ্তন অনুপাত = 4 বাৰ)

Stock at the end is ₹ 20,000/- more than the stock at the beginning.

(সামৰণি মজুত পণ্যৰ পৰিমাণ আৰম্ভণি মজুতপণ্যৰ পৰিমাণতকৈ 20,000/- টকা বেছি।)

Sales ₹ 3,00,000/- and gross profit ratio is 20% of Sales.

(বিক্ৰী 3,00,000/- টকা আৰু মুঠ লাভৰ অনুপাত বিক্ৰীৰ 20%)।

Current liabilities = ₹ 40,000/-

(চলতি দেনাসমূহ 40,000/- টকা)

Quick ratio = 0·75

(ত্বৰিত অনুপাত = 0·75)

*OR / নাইবা*

Explain the terms : 2½+2½=5

পদবোৰ ব্যাখ্যা কৰা ঃ

(*i*) Cash equivalents

(নগদ সমতুল্য)

(*ii*) Cash flows

(নগদ প্ৰবাহ)

14. Mention *any five* objectives of Ratio Analysis. 5

অনুপাত বিশ্লেষণৰ *যিকোনো পাঁচটা* উদ্দেশ্য উল্লেখ কৰা।

*OR / নাইবা*

Calculate current assets of a company from the following information : 5

নিম্নলিখিত তথ্যৰ পৰা এটা কোম্পানীৰ চলিত সম্পত্তিসমূহ গণনা কৰা ঃ

Stock turnover ratio = 4 times

(মজুতপণ্যৰ আবৰ্তন অনুপাত = 4 বাৰ)

Stock at the end is ₹ 20,000/- more than the stock at the beginning.

(সামৰণি মজুত পণ্যৰ পৰিমাণ আৰম্ভণি মজুতপণ্যৰ পৰিমাণতকৈ 20,000/- টকা বেছি।)

Sales ₹ 3,00,000/- and gross profit ratio is 20% of Sales.

(বিক্ৰী 3,00,000/- টকা আৰু মুঠ লাভৰ অনুপাত বিক্ৰীৰ 20%)।

Current liabilities = ₹ 40,000/-

(চলতি দেনাসমূহ 40,000/- টকা)

Quick ratio = 0·75

(ত্বৰিত অনুপাত = 0·75)

15. Shyam, Gagan and Ram are partners sharing profits in the ratio of 2:2:1. On 31st March, 2017, their Balance Sheet was as follows :

শ্যাম, গগন আৰু ৰাম 2:2:1 অনুপাতত লাভ বন্টন কৰা অংশীদাৰ। 31 মাৰ্চ 2017 তাৰিখত তেওঁলোকৰ উদ্বৃত্তপত্ৰ তলত দিয়াৰ দৰে আছিল ঃ

**Balance Sheet (উদ্বৃত্তপত্ৰ)**

| Liabilities (দেনা) | (₹) | Assets (সম্পত্তি) | (₹) |
|---|---|---|---|
| Sundry Creditors বিবিধ পাওনাদাৰ | 50,000 | Cash (নগদধন) | 5,000 |
| Reserve (পুঁজি) | 10,000 | Debtors (দেনাদাৰ) | 20,000 |
| Capital : (মূলধন) ঃ | | Stock (মজুত পণ্য) | 25,000 |
| Shyam : 20,000/- | | Machinery (যন্ত্ৰপাতি) | 20,000 |
| Gagan : 10,000/- | | Buildings (ভৱন) | 30,000 |
| Ram : 10,000/- | 40,000 | | |
| | 1,00,000 | | 1,00,000 |

Gagan retired on that date and Shyam and Ram agreed to share future profits in the ratio 5:3.

গগনে উক্ত তাৰিখত অৱসৰ লয় আৰু শ্যাম আৰু ৰামে ভবিষ্যতে 5:3 অনুপাতত লাভ বন্টন কৰিবলৈ সিদ্ধান্ত লয়।

Stock, Machinery and Buildings were revalued at ₹ 20,000/-, ₹ 15,000/- and ₹ 45,000/- respectively.

মজুতপণ্য, যন্ত্ৰপাতি আৰু ভৱন যথাক্ৰমে 20,000/- টকা, 15,000/- টকা আৰু 45,000/- টকাত পুনৰমূল্যায়ণ কৰা হ'ল।

Prepare Revaluation Account and Partners' Capital Account. $2\frac{1}{2}+2\frac{1}{2}=5$

পুনৰমূল্যায়ণ হিচাপ আৰু অংশীদাৰৰ মূলধন হিচাপ প্ৰস্তুত কৰা।

*OR / নাইবা*

Prepare the new format of the Balance Sheet of a company with the major headings only. 5

কেৱলমাত্ৰ মুখ্যসিতান সমুহৰসৈতে এখন কোম্পানীৰ উদ্বৃত্তপত্ৰৰ নতুন আকাৰটো প্ৰস্তুত কৰা।

16. Mohit, Shohan and Rahul were partners sharing profits in the ratio of 2:2:1. Their Balance Sheet as on 31st March, 2017 was as follows :

মোহিত, সোহান আৰু ৰাহুল 2:2:1 অনুপাতত লাভ বন্টন কৰি অংশীদাৰ 31 মাৰ্চ 2017 তাৰিখত তেওঁলোকৰ উদ্বৃত্তপত্ৰ তলত দিয়াৰ দৰে আছিল ঃ

**Balance Sheet (উদ্বৃত্তপত্ৰ)**

| Liabilities (দেনা) | (₹) | Assets (সম্পত্তি) | (₹) |
|---|---|---|---|
| Capital : (মূলধন) ঃ<br>Mohit : 30,000/-<br>Shohan : 20,000/-<br>Rahul : 20,000/- | 70,000 | Fixed Assets (স্থায়ী সম্পত্তি) | 60,000 |
| General Reserve (সাধাৰণ পুঁজি) | 5,000 | Stock (মজুতপণ্য) | 10,000 |
| Creditors (পাওনাদাৰ) | 25,000 | Sundry Debtors (বিবিধ দেনাদাৰ) | 20,000 |
| | | Cash at Bank (বেংকত নগদ ধন) | 10,000 |
| | 1,00,000 | | 1,00,000 |

Shohan died on June 30, 2017. It was agreed between the remaining partners and his executors that :

2017-ৰ 30 জুনত সোহানৰ মৃত্যু হয়। তেওঁৰ উত্তৰাধিকাৰী আৰু অৱশিষ্ট অংশীদাৰ সকলৰ মাজত চুক্তি হয় যে ঃ

*(i)* Goodwill will be valued at ₹ 50,000/-.
সুনামৰ মূল্য 50,000/- টকা ধৰা হ'ব।

*(ii)* Interest on capital be provided at 10% p.a.
মূলধনৰ ওপৰত সুত বছৰি শতকৰা 10% ধৰা হ'ব।

*(iii)* Profit for the year 2017-18 be taken as having accrued at the same rate as that of the previous year which was ₹ 40,000/-.
2017-18 চনৰ লাভ বিগত বছৰৰ সমহাৰত হ'ব বুলি ধৰা হৈছে যাৰ পৰিমাণ আছিল 40,000/- টকা।

(*iv*) The amount due to Shohan shall be transferred to his Executors' Loan Account.

সোহানক দিবলগীয়া ধনখিনি তেওঁৰ উত্তৰাধিকাৰীৰ ঋণ হিচাপলৈ স্থানান্তৰ কৰা হ'ব।

Prepare Shohan's Capital Account as on the date of his death. 5

সোহানৰ মৃত্যুৰ তাৰিখত তেওঁৰ মূলধন হিচাপ প্ৰস্তুত কৰা।

*OR / নাইবা*

What is Partnership Deed ? Mention *any three* distinctions between Fixed and Fluctuating Capital Accounts of partners. 2+3=5

অংশীদাৰী দলিল বুলিলে কি বুজা? অংশীদাৰৰ স্থিৰ মূলধন হিচাপ আৰু অস্থিৰ মূলধন হিচাপৰ মাজত থকা *যিকোনো তিনিটা* পাৰ্থক্য উল্লেখ কৰা।

17. SONU and ASHU were partners sharing profits in the ratio of 3:1. Their Balance Sheet as on 31st March, 2017 was as follows :

চনু আৰু আশু 3:1 অনুপাতত লাভ বিতৰণ কৰি অংশীদাৰ আছিল। 2017 চনৰ 31 মাৰ্চ তাৰিখত তেওঁলোকৰ উদ্বৃত্তপত্ৰ তলত দিয়াৰ দৰে আছিল ঃ

**Balance Sheet (উদ্বৃত্তপত্ৰ)**

| Liabilities (দেনা) | (₹) | Assets (সম্পত্তি) | (₹) |
|---|---|---|---|
| Creditors (পাওনাদাৰ) | 10,000 | Cash at Bank (বেংকত জমা) | 20,000 |
| Loan (ঋণ) | 20,000 | Sundry Assets (বিবিধ সম্পত্তি) | 70,000 |
| Capital : (মূলধন) ঃ SONU = 50,000/- ASHU = 50,000/- | 1,00,000 | Profit and Loss Account (লাভ-লোকচান হিচাপ) | 40,000 |
| | 1,30,000 | | 1,30,000 |

The firm was dissolved on the above date. The assets were realised at ₹ 50,000/-. Creditors were paid at a discount of 20%. SONU agreed to pay off the Loan. Realisation expenses were ₹ 2,000/-. Prepare Realisation Account, Bank Account and Partners Capital Account. 5

ওপৰিউক্ত তাৰিখত প্ৰতিষ্ঠানটোৰ অৱসায়ন ঘটে। সম্পত্তিবোৰ বিক্ৰয় কৰি 50,000/- টকা আদায় পোৱা গ'ল। পাওনাদাৰ সকলক 20% বাট্টাত পৰিশোধ কৰা হ'ল। SONU-য়ে ঋণ পৰিশোধ কৰিবলৈ সন্মত হ'ল। আদায়কৰণৰ খৰচ হৈছিল 2,000/- টকা। আদায়কৰণ হিচাপ, বেংক হিচাপ আৰু অংশীদাৰৰ মূলধন হিচাপ প্ৰস্তুত কৰা।

*OR / নাইবা*

What do you mean by Dissolution of a Partnership ? State *three* grounds for Dissolution of Partnership. 2+3=5

অংশীদাৰী পৰিসমাপ্তি বুলিলে কি বুজা? অংশীদাৰী পৰিসমাপ্তিৰ *তিনিটা* পৰিস্থিতি উল্লেখ কৰা।

18. Explain the terms 'Over-subscription' and 'Under-subscription' of Shares. 2½+2½=5

অংশপত্ৰৰ 'অধিক-ক্ৰয়সন্মতি' আৰু 'কম-ক্ৰমসন্মতি' ব্যাখ্যা কৰা।

*OR / নাইবা*

What is a 'Preference Share' ? Mention the different types of Preference Shares. 2+3=5

'অগ্ৰাধিকাৰযুক্ত অংশপত্ৰ' বুলিলে কি বুজা? অগ্ৰাধিকাৰযুক্ত অংশপত্ৰৰ বিভিন্ন প্ৰকাৰসমূহ উল্লেখ কৰা।

19. Following is the Trial Balance of RAM and SHYAM as on 31st March, 2017 :

31 মার্চ, 2017 তাৰিখত ৰাম আৰু শ্যাম-ৰ উদ্বৃত্ত মিলনপত্ৰখন তলত দিয়াৰ দৰে আছিল ঃ

Dr. **Trial Balance (উদ্বৃত্ত মিলন-পত্ৰ)** Cr.

| Particulars (বিবৰণ) | (₹) | Particulars (বিবৰণ) | (₹) |
|---|---|---|---|
| Plant and Machinery<br>কলকব্জা আৰু যন্ত্ৰপাতি | 10,000 | Capital Accounts :<br>মূলধন হিচাপ ঃ | |
| Freight on Sales<br>বিক্ৰীৰ পৰিবহন খৰচ | 3,000 | RAM = 36,000<br>ৰাম | |
| Publicity<br>বিজ্ঞাপন | 2,000 | SHYAM = 40,000<br>শ্যাম | 76,000 |
| Land and Buildings<br>ভুমি আৰু ভৱন | 50,000 | Trading Account<br>ক্ৰয় বিক্ৰয় হিচাপ | |
| Sundry Debtors<br>বিবিধ দেনাদাৰ | 10,000 | —Gross Profit<br>—মুঠ লাভ | 60,000 |
| Bad debt<br>অনুদ্ধাৰনীয় ঋণ | 2,000 | | |
| Cash at Bank<br>বেংকত থকা নগদ ধন | 15,000 | Creditors<br>পাওনাদাৰ | 12,000 |
| Investments<br>বিনিয়োগ | 8,000 | Bank Loan<br>বেংক ঋণ | 8,000 |
| Cash in hand<br>হাতত থকা নগদ ধন | 1,000 | Bills payable<br>দিবলগীয়া বিল | 6,000 |
| Salaries<br>দৰমহা | 12,000 | | |
| Rent<br>ভাৰা | 8,000 | | |
| Stock<br>মজুত পণ্য | 25,000 | | |
| Drawings :<br>আহৰণ ঃ<br>RAM = 6,000<br>ৰাম<br>SHYAM = 10,000<br>শ্যাম | 16,000 | | |
| | 1,62,000 | | 1,62,000 |

Prepare a Profit and Loss Account and the Profit and Loss Appropriation Account of the firm for the year ended 31st March, 2017 and a Balance Sheet as on that date, after taking into consideration the following additional information : 8

তলত দিয়া অতিৰিক্ত তথ্যসমূহ বিবেচনা কৰি 31 মাৰ্চ, 2017 তাৰিখত অন্তঃপৰা বছৰটোৰ বাবে লাভ-লোকচান হিচাপ আৰু লাভ-লোকচান উপযোজন হিচাপ আৰু উক্ত তাৰিখত প্ৰতিষ্ঠানটোৰ উদ্বৃত্তপত্ৰ প্ৰস্তুত কৰা ঃ

*(i)* Outstanding Salaries ₹ 3,000/-

অপ্ৰদত্ত দৰমহা

*(ii)* Ram will get a Commission of ₹ 10,000/- for the year.

ৰামে বছৰটোৰ বাবে 10,000/- টকা দস্তুৰী পাব।

20. Hunda Limited issued 10,000 equity shares of 100 each payable as follows :

₹ 20/- on application

₹ 30/- on allotment

₹ 20/- on first call

₹ 30/- on second and final call.

10,000 shares were applied for and allotted. All money due was received with the exception of both the calls on 300 shares held by SUPRIYA. These shares were forfeited. Give necessary journal entries. 8

হুন্ডা লিমিটেডে 10,000 টা 100/- টকীয়া সমাংশপত্ৰ তলত দিয়া ধৰণে আদায়যোগ্য বুলি বিলি কৰে ঃ

আবেদনত 20/- টকা।

আবন্টনত 30/- টকা।

প্ৰথম তলবত 20/- টকা।

দ্বিতীয় আৰু চূড়ান্ত তলবত 30/- টকা।

10,000 টা অংশপত্ৰৰ বাবে আবেদন পাই আবন্টন কৰা হ'ল। সুপ্ৰীয়াৰ নামত থকা 300 টা অংশপত্ৰৰ দুয়োটা তলবৰ ধনৰ বাদে পাবলগীয়া বাকীখিনি সমুদায় আদায় পালে। এই অংশপত্ৰসমূহ বাজেয়াপ্ত কৰা হ'ল। আৱশ্যকীয় জাবেদা প্ৰবিষ্টি দিয়া।

OR / নাইবা

Write short notes on : 2×4=8

চমু টোকা লিখা ঃ

*(i)* Re-issue of forfeited shares

বাজেয়াপ্ত অংশপত্ৰৰ পুনৰবিলি

*(ii)* Calls in Arrears

বকেয়া তলবী অৰ্থ

*(iii)* Calls in Advance

অগ্ৰীম তলবী অৰ্থ

*(iv)* Reserve Capital.

সংৰক্ষিত মূলধন।

21. X Ltd. issued 5,000, 16% debentures of ₹ 100/- each at a discount of 5% repayable after 5 years at a premium of 5%.

You are required to pass necessary journal entries and show the "Loss on Issue of Debentures Account" over the period of five years. 8

এক্স লিমিটেডে 5 বছৰৰ পিছত 5% অধিহাৰত পৰিশোধযোগ্য 5,000 টা 100/- টকীয়া 16% ঋণপত্ৰ 5% বাট্টাত বিলি কৰিলে। আৱশ্যকীয় জাবেদা প্ৰবিষ্টি দিয়া আৰু "ঋণপত্ৰ বিলিত হোৱা ক্ষতি হিচাপ" পাঁচ বছৰৰ বাবে দেখুউৱা।

OR / নাইবা

What is meant by a debenture ? Explain the different types of debentures. 2+6=8

ঋণপত্ৰ বুলিলে কি বুজা? বিভিন্ন শ্ৰেণীৰ ঋণপত্ৰৰ ব্যাখ্যা কৰা।

22. A and B are partners sharing profits in the ratio of 3:2. Their Balance Sheet as on 31st March, 2017 was as follows :

A আৰু B 3:2 অনুপাতত লাভ বন্টন কৰি অংশীদাৰ। 31 মাৰ্চ, 2017 তাৰিখত তেওঁলোকৰ উদ্বৃত্তপত্ৰ তলত দিয়াৰ দৰে আছিল ঃ

**Balance Sheet**

**(উদ্বৃত্তপত্ৰ)**

| Liabilities (দেনা) | (₹) | Assets (সম্পত্তি) | (₹) |
|---|---|---|---|
| Sundry Creditors<br>বিবিধ পাওনাদাৰ | 20,000 | Cash in hand<br>হাতত থকা নগদ ধন | 3,000 |
| Capital :<br>মূলধন ঃ<br>A = 30,000/-<br>B = 20,000/- | 50,000 | Sundry Debtors<br>বিবিধ দেনাদাৰ | 12,000 |
| | | Stock<br>মজুতপণ্য | 15,000 |
| | | Furniture<br>আচবাব্ | 10,000 |
| | | Machinery<br>যন্ত্ৰপাতি | 30,000 |
| | 70,000 | | 70,000 |

C was admitted as a new partner on the following terms and conditions:

তলত দিয়া চৰ্তসাপেক্ষে C-ক নতুন অংশীদাৰ হিচাপে ভৰ্তি কৰা হ'ল ঃ

*(i)* C will bring ₹ 15,000/- for capital and ₹ 5,000/- for his share of Goodwill for 1/6 th share in the future profits.

C-য়ে তেওঁৰ মূলধনৰ বাবে 15,000/- টকা আৰু লাভৰ 1/6 অংশৰ বাবে সুনাম বাবদ 5,000/- টকা আগবঢ়াব।

(ii) The value of stock to be reduced by ₹ 2,000/- and that of Machinery be increased by ₹ 8,000/-.

মজুতপণ্যৰ মূল্য 2,000/- টকা হ্ৰাস পাব আৰু যন্ত্ৰপাতিৰ মূল্য 8,000/- টকা বৃদ্ধি কৰা হ'ব।

(iii) The value of furniture to be fixed at ₹ 9,000/-.

আচবাবৰ মূল্য 9,000/- টকাত স্থিৰ কৰা হ'ব।

Pass journal entries in the books of the firm and prepare the Balance Sheet of the new firm. 8

প্ৰতিষ্ঠানটোৰ বহীত জাবেদা প্ৰবিষ্টি দিয়া আৰু নতুন প্ৰতিষ্ঠানৰ উদ্বৃত্তপত্ৰ প্ৰস্তুত কৰা।

*OR / নাইবা*

Give journal entries on dissolution of a Partnership firm in respect of the following : 1×8=8

অংশীদাৰী ব্যৱসায়ৰ অৱসায়ন কালে তলত দিয়া অৱস্থানসমূহৰ বাবে জাবেদা প্ৰৱিষ্টি দিয়া ঃ

(i) For transfer of assets.

সম্পত্তি স্থানান্তৰৰ বাবে।

(ii) For sale of assets.

সম্পত্তি বিক্ৰি হ'লে।

(iii) If any partner takes over any asset.

কোনো অংশীদাৰে সম্পত্তি গ্ৰহণ কৰিলে।

(iv) For payment of liabilities.

দেনা পৰিশোধৰ বাবে।

(v) For payment of Realisation Expenses.

আদায়কৰণৰ খৰচ পৰিশোধৰ বাবে।

(vi) For realisation of unrecorded assets.

লিপিবদ্ধ নকৰা সম্পত্তি আদায়কৰণৰ বাবে।

(vii) For transfer of the balance of General Reserve Account.

সাধাৰণ পুঁজি হিচাপত থকা উদ্বৃত্তৰ স্থানান্তৰৰ বাবে।

(viii) For payment of Partner's Loan.

অংশীদাৰক দিব লগা ঋণ পৰিশোধৰ বাবে।

——×——